জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

বছৰ । ২৮২ সংখ্যা, ৭ জেঠ, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 282। DIBRUGARH, THURSDAY, MAY 22, 2025 । পৃষ্ঠা ১৬ (Pages 1

থা

ৰি

পক্ষে

ৰ্মা

সংবেদী এই
প্ৰকাশ কৰাৰ
সংগিক হয় নে
বাৰে বাৰে
প্ৰশ্ন
লাঁ। আত্মবিশ্বাস
ৰাখি সিদ্ধান্ত
— যেন নতুন
ৰীৰ ফুল ছিঙা
গো দিবই যাতে
ল চুৰিৰ বেয়া
২ পৃষ্ঠাত চাওক

জল



নৰ পাছত এইবাৰ বা

বনাঞ্চল






## কানৈ মহাবিদ্যালয়ত ব্যৱহাৰিক প্ৰশিক্ষণৰ কৰ্মশালা

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২১ মে'** ঃ 'শ্ৰেণীকোঠাৰ শেষত বহি থকা ছাত্ৰ-ছাত্ৰীসকলৰো সৃষ্টিশীলতা থাকে।' সেই ছাত্ৰ-ছাত্ৰী ভৱিষ্যতে গৈ এজন ভাল টিভিৰ এংকৰ বা সাংবাদিক হ'ব পাৰে, ভাল আইনবিদ হ'ব পাৰে। ঐতিহ্যমণ্ডিত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, আই চি জি পি চি, ব্যৱহাৰিক প্ৰশিক্ষণ কোষ আৰু এমট্ৰনৰ বিশ্ববিদ্যালয় সম্পৰ্ক কোষৰ যৌথ উদ্যোগত আজি অনুষ্ঠিত এদিনীয়া কৰ্মশালাত এমট্ৰনৰ বিশ্ববিদ্যালয় সম্পৰ্ক কোষৰ উপদেষ্টা কমলজ্যোতি গগৈয়ে এইদৰে কয়। ব্যৱহাৰিক প্ৰশিক্ষণক লৈ অনুষ্ঠিত কৰ্মশালাখনত গগৈয়ে শ্ৰেণীকোঠাৰ শেষত বহা সেই ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে, সেই ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে জীৱনত আগুৱাই যাব বুলি মত প্ৰকাশ কৰি কয়, 'কিবা জনা বা বুজাৰ উৎসুকতা থকা ছাত্ৰ-ছাত্ৰীসকলে জীৱনত উন্নতি কৰিবই।' তেওঁ কয়, ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় বুদ্ধিমত্তাৰ ভিত্তিত ব্যৱহাৰিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে উচ্চ মানৰ ফলাফল পোৱা যায়। মহাবিদ্যালয়ৰ অধ্যাপিকা ডঃ এনিশা দত্তই আঁত ধৰা কৰ্মশালাখনত অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আদৰণী ভাষণ দিয়ে। ডঃ শইকীয়াই ব্যৱহাৰিক প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বত আলোকপাত কৰাৰ লগতে এমট্ৰনৰ এনে সুন্দৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত এমট্ৰৰ আহিয়া হুছেইন আৰু এমট্ৰনৰ সমন্বয়ক লোচন বৰাই ব্যৱহাৰিক প্ৰশিক্ষণৰ ব্যাখ্যা আগবঢ়ায়। কৰ্মশালাখনত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ডঃ দীপংকজ গগৈ, শৈক্ষিক সমন্বয়ক ডঃ উত্তম মহন্ত, আই চি জি পি চিৰ সমন্বয়ক ডঃ এনিশা দত্ত, যুটীয়া সহকাৰী সমন্বয়ক ক্ৰমে ডঃ সুদৰ্শনা বৰা, ডঃ ফাৰনাজ ৰ'জলিন চাইৱা আহমেদ, টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মৌচুমী গগৈ প্ৰমুখ্যে ডি এইচ এছ কানৈ মহাবিদ্যালয়, দুলীয়াজান মহিলা মহাবিদ্যালয়, টিংখাং মহাবিদ্যালয়, ডি ডি আৰ মহাবিদ্যালয়, খোৱাং মহাবিদ্যালয়, টেঙাখাট মহাবিদ্যালয়, পিথুবৰ মহাবিদ্যালয়, ডিব্ৰু মহাবিদ্যালয়, নাহৰকটীয়া মহাবিদ্যালয় আৰু ৰাজগড় মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

৫ পৃষ্ঠাৰ পৰা

## ব্ৰহ্মপুত্ৰৰ খহনীয়া, সীমান্ত সংযো

আয়ুক্তগৰাকীয়ে পৰ্যবেক্ষণ কৰি মেৰামতি কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিছে
সীমান্ত সংযোগী পথ পৰিদৰ্শনৰ পাছত জিলা আযুক্ত গৰাকী নেওৰাজেছপুৰ গাঁৱত
এলেকা পৰিদৰ্শন কৰে। নেওৰাজেছপুৰতো আজিৰ পৰাই তৎকালীনভাৱে খহ
জলসম্পদ বিভাগক জিঅ' বেগৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশনা দিছে জিলা আয়ুক্তই।

## পঞ্চায়ত নিৰ্বাচনত বিজয়ী প্ৰাৰ্থীয়ে

আব্বাছ আলী, নৌশাদ আলী, ফজৰ আলী, ফজলুৰ ৰহমান আৰু আনোৱাৰ হুছেইনে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ১১ মে'ত ভোট গণনাৰ অন্তত পাঁচগৰাকী প্ৰাৰ্থীৰ ভিতৰত বিপুল ভোটৰ ব্যৱধানত বিজয়ী প্ৰাৰ্থী হিচাপে ফজৰ আলীৰ নাম ভোট গণনাৰ দায়িত্বত থকা বিষয়াসকলে ঘোষণা কৰিছিল। কাউণ্টিং এজেণ্টসকলে ফলাফল ঘোষণা কৰা পত্ৰত স্বাক্ষৰ কৰি থৈ আহে যদিও ৰহস্যজনকভাৱে নকল কপি দিয়াৰ পৰা বিৰত থাকে। ইপিনে, ভোট গণনা বিষয়া আৰু কাউণ্টিং এজেণ্টসকলে কৰা হিচাপ মতে ফজৰ আলীয়ে ৮৫০টা ভোট লাভ কৰি ২৩১টা ভোটৰ ব্যৱধানত বিজয়ী হোৱা বুলি জনায়। জানিবপৰা মতে ঘোষিত পঞ্চায়ত নিৰ্বাচনত প্ৰায় সংখ্যক নিৰ্বাচিত প্ৰতিনিধিয়ে বিজয়ীৰ প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিছে যদিও ফজৰ

আলীয়ে আজিলৈকে বিজয়ী
জানিব পৰা মতে, ১৫নং
টুক্ৰাপাৰা ৪নং ৱাৰ্ডৰ ৰাই
আলীক বিজয়ীৰ প্ৰ-পত্ৰ প্
গৰৈমাৰী উন্নয়ন খণ্ড কাৰ্য
চক্ৰ বিষয়াৰ কাৰ্যালয়
কাৰ্যসূচী ৰূপায়ণ কৰি পৰি
প্ৰতিবাদকাৰীসকলে 'হাতে
কৰি 'গণতন্ত্ৰ ৰক্ষা কৰক'
'ফজৰ আলী জিন্দাবাদ',
দিয়ক' আদি বিভিন্ন শ্ল'গা
তোলে। প্ৰতিবাদৰ অন্ত
বিজয়ী নিৰ্দলীয় প্ৰাৰ্থী ফজ
পত্ৰ প্ৰদানৰ দাবীত গৰৈমা
গৰৈমাৰী ৰাজহ চক্ৰ বিষয়

## সাততালুক গাঁও পঞ্চায়তৰ কাৰ্যা

প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে। দক্ষিণ কামৰূপত নতুনকৈ গঠন হোৱা বকো ছয়গাঁও সমষ্টিৰ অন্তৰ্গত সাততালুক গাঁও পঞ্চায়ত কাৰ্যালয় চৌহদত প্ৰথমে এগৰাকী মহিলাই কান্দি কান্দি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি বিজেপিৰ নতুন নেতাই সমগ্ৰ বিষয়টোত খেলিমেলি কৰাৰ অভিযোগ তুলি স্থানীয় বিজেপি নেতা তিনিগৰাকীৰ বিৰুদ্ধে ক্ষোভ উজাৰে। বিজেপিৰ যুৱ নেতা হীৰেন দাস, হিতেশ কলিতা আৰু নীলমণি দাসৰ বিৰুদ্ধে এগৰাকী বিধৱা মহিলাই বহু অভিযোগ উত্থাপন কৰে। সাততালুক গাঁও পঞ্চায়তত বিধৱা, শাৰীৰিকভাৱে বাধাগ্ৰস্ত

লোকক বঞ্চিত ক
বিজেপিকেন্দ্ৰিক কৰা বু
স্থানীয় ৰাইজে। আনকি
ক্ষেত্ৰতো হোৱা বুলি
অভিযোগ কৰে। বিধ
দিয়ক, আমাক ন্যায় দ
অৰুণোদয় আঁচনি প্ৰদ
পঞ্চায়ত চৌহদ উত্তাল
যে পূৰ্বে অৰুণোদয় আঁ
মহিলাৰ নাম যোৱা বি
তালিকাত নথকাত উত্তে